তোমালোকে নিজৰ ঘৰবোৰক কবৰস্থানত পৰিণত নকৰিবা আৰু মোৰ কবৰকো মেলাৰ স্থল নবনাবা। তোমালোকে মোৰ ওপৰত দুৰূদ পাঠ কৰা। তোমালোকে য’তেই নাথাকা কিয় তোমালোকৰ দুৰূদ মোৰ ওচৰলৈ পৌঁচাই দিয়া হয়।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তোমালোকে নিজৰ ঘৰবোৰক কবৰস্থানত পৰিণত নকৰিবা আৰু মোৰ কবৰকো মেলাৰ স্থল নবনাবা। তোমালোকে মোৰ ওপৰত দুৰূদ পাঠ কৰা। তোমালোকে য’তেই নাথাকা
কিয় তোমালোকৰ দুৰূদ মোৰ ওচৰলৈ পৌঁচাই দিয়া হয়। [হাছান] [(আবু দাঊদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ঘৰক নামাজ আদিৰ পৰা শূন্য ৰাখিবলৈ সতৰ্ক কৰিছে। ঘৰ যাতে কবৰস্থানত পৰিণত নহয়, কাৰণ কবৰস্থানত নামাজ পঢ়া নহয়। লগতে তেখেতে সঘনে কবৰ জিয়াৰত কৰিবলৈও বাৰণ কৰিছে, এইদৰে কবৰৰ ওচৰত অভ্যাসগতভাৱে একত্ৰিত হ'বলৈও নিষেধ কৰিছে, কাৰণ এইটো হৈছে শ্বিৰ্কত পতিত হোৱাৰ এটা মাধ্যম। ইয়াৰ বিপৰীতে তেখেতে পৃথিৱীৰ যিকোনো স্থানৰ পৰা তেখেতৰ ওপৰত বেছি বেছি দৰূদ আৰু ছালাম প্রেৰণ কৰাৰ নিৰ্দেশ দিছে। কিয়নো ওচৰত হওক বা দূৰত সমানেই তেখেতৰ ওচৰলৈ সেই দৰূদ আহি পায়। গতিকে দৰূদ পঢ়াৰ ছলনাৰে তেখেতৰ কবৰৰ ওচৰলৈ বাৰে বাৰে অহা যোৱা কৰাৰ কোনো প্রয়োজন নাই।

https://sunnah.global/hadeeth/as/show/3350